জাতিৰ সেৱাত উৎসৰ্গিত ৬০ বছৰ

# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰপৰা প্ৰকাশিত

http://dainik.assamtribune.com

৮১ সংখ্যা, ২৪ মাঘ, শুকুৰবাৰ, ১৯৪৬ শক | DAINIK ASAM : Assamese Daily | VOL. 60 NO. 181 | DIBRUGARH, FRIDAY, FEBRUARY 7, 2025 | পৃষ্ঠা ১২+৮ (Pages 12+8)

## কানৈ মহাবিদ্যালয়ত 'শিক্ষা বিজ্ঞানৰ প্ৰত্যাহ্বানসমূহৰ মোকাবিলা' শীৰ্ষক আলোচনাচক্ৰ

# 'নিয়মানুৱৰ্তিতা, সময়ানুৱৰ্তিতাক গুৰুত্ব দি আগুৱাই গ'লে সফল হ'ব পাৰি'

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ৬ ফেব্ৰুৱাৰী :** 'জীৱনত নিয়মানুনৰ্তিতা, সময়ানুৱৰ্তিতাক অধিক গুৰুত্ব দি কৌশলেৰে আগুৱাই গ'লে সফল হ'ব পাৰি।' ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ সমাজশাস্ত্ৰ বিভাগ, শিক্ষাতত্ত্ব বিভাগ, মনোবিজ্ঞান বিভাগ আৰু দৰ্শন বিভাগৰ উদ্যোগত আৰু আছাম ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ সহযোগত অনুষ্ঠিত আলোচনাচক্ৰত সমলব্যক্তি হিচাপে উপস্থিত থাকি আছাম ৰয়েল গ্ল'বেল বিশ্ববিদ্যালয়ৰ অধ্যক্ষ (শৈক্ষিক) ডঃ অলক কুমাৰ বুঢ়াগোহাঁয়ে আজি এইদৰে কয়। 'শিক্ষা বিজ্ঞানৰ প্ৰত্যাহ্বানসমূহৰ মোকাবিলা' বিষয়ত অনুষ্ঠিত আলোচনাচক্ৰখনত ডঃ বুঢ়াগোহাঁয়ে কয়, 'জীৱনত নিয়মানুৱৰ্তিতা আৰু সময়ানুৱৰ্তিতাক অধিক বুজিব লাগিব, জানিব লাগিব আৰু গুৰুত্ব দিব লাগিব। তেওঁ কয়, 'আমি ভাষা এটা জানিলেই নহ'ব, সেই ভাষাটো শুদ্ধকৈ ক'ব পাৰিব লাগিব।' মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা ডঃ মনীষা ডেকাই আঁত ধৰা আলোচনাচক্ৰখনত ডঃ বুঢ়াগোহাঁয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলে কেৱল পাঠ্যক্ৰমৰ শিক্ষাৰ ওপৰতে নিৰ্ভৰ কৰিলে নহ'ব। নিজৰ চকুৰে জীৱন আৰু জগত চাবলৈ শিকিব লাগিব। নিজৰ চকুৰে চাই শিকাটো পাঠ্যক্ৰমৰ শিক্ষাতকৈ অধিক মূল্যৱান বুলি তেওঁ কয়। আলোচনাচক্ৰখন উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই। উদ্বোধনী ভাষণত অধ্যক্ষ ডঃ শইকীয়াই কয়, 'যুৱ প্ৰজন্মই ক'লৈ গৈ আছে নাজানিলে দেশ কেতিয়াও উন্নতিৰ পথত আগুৱাব নোৱাৰে। আমাৰ যুৱ প্ৰজন্মই সঠিক পথেৰে আগুৱাই যাব পাৰিলেহে দেশৰ ভৱিষ্যৎ উন্নত হ'ব বুলি ক'ব পাৰি।' দৈনিক ন ন শিক্ষা, জ্ঞান আহৰণ কৰিব নোৱাৰিলে আজিৰ প্ৰতিযোগিতামূলক পৃথিৱীত জীয়াই থকাটো অতি কঠিন বুলি তেওঁ কয়। অনুষ্ঠানত কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ দাতা সদস্য জ্যোতি প্ৰসাদ কানৈয়ে কয়, 'আমি কেতিয়াও কোনো এটা কাম কৰিব নোৱাৰিম বুলি ভবা উচিত নহয়। নোৱাৰিম বুলি ভবা মানুহে জীৱনত কেতিয়াও সফলতা লাভ কৰিব নোৱাৰে। আমি সদায় সকলো কামেই পাৰিম বুলি ভাবি আগ্ৰহেৰে সেই



কামটো কৰিলেহে সফলতা লাভ কৰিব পাৰিম।' অনুষ্ঠানত মহাবিদ্যালয়ৰ ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, কানৈ মহাবিদ্যালয়ৰ লগতে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানতে ডঃ অলক কুমাৰ বুঢ়াগোহাঁইক কানৈ মহাবিদ্যালয়ৰ তৰফৰপৰা অধ্যক্ষ ডঃ শশীকান্ত শইকীয়াই সম্বৰ্দ্ধনাপত্ৰ আৰু অনুষ্ঠানৰ স্মৃতি জড়িত স্থিৰ চিত্ৰৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে।